মই সুধিলোঁ, হে আল্লাহৰ ৰাছুল! (সবাতোকৈ বেছি) সদ্ব্যৱহাৰ কাৰ সৈতে কৰিম? তেখেতে ক'লেঃ "তোমাৰ মাকৰ সৈতে। তাৰ পিছত, তোমাৰ মাকৰ সৈতে। তাৰ পিছত, তোমাৰ মাকৰ সৈতে। তাৰ পিছত, তোমাৰ পিতৃৰ সৈতে। ইয়াৰ পিছত শ্ৰেণীবদ্ধভাৱে যিজন তোমাৰ বেছি নিকটাত্মীয়।

বাহঝ ইবনে হাকীমে নিজৰ পিতৃৰ পৰা আৰু তেওঁ তেওঁৰ পিতামহৰ পৰা বৰ্ণনা কৰিছে, তেওঁ
কৈছেঃ মই সুধিলোঁ, হে আল্লাহৰ ৰাছুল! (সবাতোকৈ বেছি) সদ্ব্যৱহাৰ কাৰ সৈতে কৰিম? তেখেতে ক'লেঃ "তোমাৰ মাকৰ সৈতে। তাৰ পিছত, তোমাৰ মাকৰ সৈতে। তাৰ পিছত, তোমাৰ মাকৰ সৈতে। তাৰ পিছত, তোমাৰ পিতৃৰ সৈতে। ইয়াৰ পিছত শ্ৰেণীবদ্ধভাৱে যিজন তোমাৰ বেছি নিকটাত্মীয়।"
[হাছান] [(আবু দাঊদ, তিৰমিজী, আৰু আহমদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত স্পষ্ট কৰিছে যে, মানুহৰ মাজত সবাতোকৈ অধিক যাৰ সৈতে সদাচৰণ কৰিব লাগে, সদ্ব্যৱহাৰ কৰিব লাগে, উত্তম সংগ দিব লাগে তথা যাৰ প্ৰতি অধিক সহানুভূতি থাকিব লাগে আৰু সুসম্পৰ্ক বজাই ৰাখিব লাগে, তেওঁ হৈছে মাক। তেখেতে মাকৰ অধিকাৰৰ গুৰুত্ব বুজাবলৈ তিনিবাৰকৈ উল্লেখ কৰি গুৰুত্বাৰোপ কৰিছে। যাতে অন্যান্য লোকৰ তুলনাত মাকৰ গুৰুত্ব স্পষ্ট হয়। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সেই ব্যক্তিৰ কথা উল্লেখ কৰিছে, যিজন পৰৱৰ্তী পৰ্যায়ত সদ্ব্যৱহাৰ পোৱাৰ উপযুক্ত। তেওঁ হৈছে পিতা। ইয়াৰ পিছত পৰ্যায়ক্ৰমে নিজৰ বংশৰ মাজত যিজন বেছি নিকটৱৰ্তী আত্মীয়। আত্মীয়তাৰ ক্ষেত্ৰত যিয়ে যিমান নিকটৱৰ্তী হ'ব, তেওঁ সিমানেই অগ্ৰাধিকাৰ লাভ কৰিব।

http://sunnah.global/hadeeth/as/show/58188